# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ৩৩/২০২০

## খিলঞ্জীয়া পৰিয়াললৈ ভূমিপট্টা আৰু ভূমিৰ আৱন্টন পত্ৰ বিতৰণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## মাজুলীক প্ৰতিনিধিত্ব কৰি মই গৌৰৱান্বিত ঃ মুখ্যমন্ত্ৰী

## অসমৰ উন্নয়ন আৰু ৰাজ্যখনৰ সুৰক্ষাৰ বাহিৰে এইখন চৰকাৰে বেলেগ কোনো কথা ভাবিব নোৱাৰে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৮ জানুৱাৰী ঃ** 'বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখন অসমীয়াৰ। অসমীয়াৰ চৰকাৰ হিচাপে অসমৰ হৈ দৃঢ়তাৰে কাম কৰি আহিছে। অসমৰ উন্নয়ন আৰু ৰাজ্যখনৰ সুৰক্ষাৰ বাহিৰে এইখন চৰকাৰে বেলেগ কোনো কথা ভাবিব নোৱাৰে। এইলৈ শংকিত হ'ব নালাগে। চৰকাৰখনৰ চৰিত্ৰ সম্পৰ্কত সন্দেহ কৰিব নালাগে। ৰাইজক অন্ধকাৰত ৰাখি চৰকাৰে কোনো কাম কৰা নাই আৰু ভৱিষ্যতেও নকৰে। প্ৰতিটো কামেই ৰাইজৰ লগত আলাপ-আলোচনা কৰিহে চৰকাৰখনে কাম কৰি যাব। এয়াই ৰাজ্য চৰকাৰৰ নীতি।' আজি মাজুলীত খিলঞ্জীয়াৰ ভূমিপট্টা আৰু আৱন্টন পত্ৰৰ লগতে অন্যান্য অনুদান বিতৰণ উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে গ্ৰামাঞ্চলত বসবাস কৰা খিলঞ্জীয়া ৰাইজৰ অসমীয়া ভাৱনা শক্তিৰে আৰু জাতীয় চেতনাৰে উদ্বুদ্ধ হৈ প্ৰতিগৰাকী ব্যক্তিৰ জীৱন সুন্দৰ কৰি তোলাৰ নিমিত্তে ৰাজ্য চৰকাৰে কাম কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে যি মাটিৰ ওপৰত খিলঞ্জীয়াই দশক-দশক ধৰি বসবাস কৰি আহিছে সেই মাটিত খিলঞ্জীয়াৰ অধিকাৰ থাকিব লাগিব। এই কথা প্ৰতি গৰাকী খিলঞ্জীয়া ভূমিপুত্ৰই বিচাৰে। স্বাধীনতাৰ ৭২ বছৰ পিছতো বহু খিলঞ্জীয়াই ৰাজ্যত ভূমিৰ অধিকাৰ লাভ নকৰিলে। জনসাধাৰণে ন্যাৰ্য প্ৰাপ্তিৰ অধিকাৰৰ বাবেই সংগ্ৰাম কৰিছিল যদিও ন্যায় পোৱা নাছিল। বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰ গঠন কৰাৰ সময়ত জনসাধাৰণে বিশেষভাবে আহ্বান জনাইছিল যে মাটিৰ অধিকাৰ সাব্যস্ত কৰাৰ বাবে চৰকাৰখনে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিব লাগে। ৰাইজৰ এই আহ্বানৰ প্ৰতি যথাৰ্থ গুৰুত্ব প্ৰদান কৰি ৰাজ্য চৰকাৰে খিলঞ্জীয়া ভূমিপুত্ৰ সকলক মাটিৰ অধিকাৰ প্ৰদানৰ বাবে পদক্ষেপ গ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে বিভিন্ন শ্ৰেণীৰ জনসাধাৰণৰ লগত আলোচনা কৰি এই বছৰৰ ভিতৰতে ১ লাখ খিলঞ্জীয়াক মাটিৰ পট্টা প্ৰদানৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে জাতীয় দায়িত্ব পালনত আত্ম-নিয়োগ কৰিছে। পূৰ্বতে ১২ হাজাৰ মাটিৰ পট্টা বিতৰণ কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আজি ৰাজ্যখনৰ বিভিন্ন জিলাত ৩৪ হাজাৰ লোকৰ মাজত মাটিৰ পট্টা বিতৰণ কৰা হ'ব। এয়া ৰাইজৰ সহযোগিতাৰ বাবেই সম্ভৱ হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে আৰম্ভণিৰে পৰা অসমৰ আৰ্থ-সামাজিক উত্তৰণ আৰু ভাষা-সংস্কৃতি সুৰক্ষাৰ দিশত বিশেষভাবে প্ৰাধান্য দি আহিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আমি সকলোৰে অসমীয়া সন্তান হিচাপে অসমৰ বুকুত অসমীয়াৰ প্ৰভূত্ব শক্তিশালী ৰূপত গঢ় দিব লাগিব। এই দৃষ্টিভংগী সন্মুখত ৰাখিয়েই ৰাজ্য চৰকাৰে দৃঢ়তাৰে কাম কৰি আহিছে। সেইবাবে অসমৰ ৰাইজে নিজৰ মাটি, ভেটি, কৃষ্টি-সংস্কৃতি, ভাষা-সাহিত্যৰ ক্ষেত্ৰত এইখন চৰকাৰ থকা অৱস্থাত ন্যূনতম চিন্তিত আৰু শংকিত হ'ব নালাগে। চৰকাৰখনে প্ৰথম আৰু প্ৰধান দায়িত্ব হিচাপে এইখিনি কাম নিষ্ঠাৰে কৰাৰ সংকল্প লৈছে

আৰু প্ৰতিজ্ঞাবদ্ধ হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে যি কাম হাতত লৈছে সেই কাম কৰিবলৈ সক্ষম হৈছে।

অসমীয়া ভাষা কোনো কালতে অসমত দুৰ্বল নহয় সকলো সময়তে যাতে সন্মানীয় ভাষা হিচাপে জীয়াই থাকে তাৰ বাবে ৰাজ্য চৰকাৰে ভাষা গৌৰৱ আঁচনিৰ দৰে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমীয়া ভাষাৰ লগতে অসমৰ বুকুত থকা খিলঞ্জীয়া জনগোষ্ঠী সমূহৰো ভাষা যাতে জীয়াই থাকে আৰু প্ৰতিটো ভাষাৰ সুষম বিকাশ নিশ্চিত হয় তাৰ বাবেও ৰাজ্য চৰকাৰে দৃষ্টান্তমূলক পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে আন্তঃগাঁথনিৰ পৰা আৰম্ভ কৰি সামাজিক, সাংস্কৃতিক, আধ্যাত্মিক উন্নয়নৰ বাবেও ৰাজ্য চৰকাৰে পদক্ষেপ লৈছে। অকল ভাৰতৰ বুকুতেই নহয়, বিশ্বৰ বুকুত অসমৰ শক্তিশালী স্থিতি এটি গঢ়ি তুলিবলৈ ৰাজ্য চৰকাৰখনে নিৰন্তৰ প্ৰয়াস চলাই গৈছে।

মুখ্যমন্ত্ৰীয়ে কয় যে মাজুলীৰ জৈৱ-বৈচিত্ৰ অতি শক্তিশালী। বিশ্বৰ ভিন্ন প্ৰান্তৰ পৰা মাজুলীলৈ পৰ্যটক আহে, সেইবাবে মাজুলীৰ প্ৰাকৃতিক ৰূপ অক্ষুণ্ণ ৰখাৰ বাবে সকলোৱে দায়িত্ব সহকাৰে কৰ্তব্য পালন কৰিব লাগিব। মাজুলীক প্ৰতিনিধিত্ব কৰি গৌৰৱান্বিত বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আধ্যাত্মিক শক্তিৰ জৰিয়তেহে শান্তি আহৰণ কৰিব পৰা যায়। এই জীৱনত আধ্যাত্মিক চেতনাইহে মানুহক আনন্দ দিব পাৰে। মাজুলীৰ মাটিত বহু শক্তি আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ পৰা শান্তি আৰু সমন্বয়ৰ বাৰ্তা প্ৰেৰণ কৰিব লাগিব।

মুখ্যমন্ত্ৰীয়ে কয় যে যুক্তিৰ আধাৰত আন্দোলন পৰিচালিত নহ'লে সমাজ খনত বিৰূপ প্ৰভাৱ পৰে। আৱেগ অনুভূতি মানুহৰ থাকে আৰু সেইবাবেই বিষয় সমূহ যুক্তিৰে বিবেচনা কৰিব লাগে। মুখ্যমন্ত্ৰীয়ে কয় যে নতুন প্ৰজন্মক যুক্তিৰে পৰিচালিত কৰিবলৈ জ্যেষ্ঠ সকলেও দায়িত্ব ল'ব লাগিব। ছাত্ৰ-ছাত্ৰীসকলক ভাল মানুহ হিচাপে গঢ় দি জীৱনৰ বাটত দৃঢ়তাৰে আগুৱাই গৈ সফলতাৰ শীৰ্ষলৈ নিব লাগিলে সমাজৰ প্ৰতিগৰাকী ব্যক্তিয়ে দায়িত্ব সহকাৰে সহযোগ কৰিব লাগিব। অধ্যয়নত মগ্ন হৈ থকা ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ লক্ষ্য প্ৰাপ্তিৰ বাবে পৰিৱেশ নিৰ্মাণ কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই প্ৰতিযোগিতাৰ বিশ্বত শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিব লাগিলে উঠি অহা প্ৰজন্মক তেনে মানসিকতাৰে আগুৱাই নিব লাগিব বুলি উল্লেখ কৰি ঘৰত বিশেষ তত্বাৱধান লোৱাৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। দীৰ্ঘদিনীয়া বড়ো সমস্যাৰ সমাধানে ৰাজ্যখনত শান্তিৰ প্ৰক্ৰিয়া দ্ৰুততৰ কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰয়াসৰ ফলতে এয়া সম্ভৱ হৈ উঠিছে। এই চুক্তিয়ে অসমৰ ভৌগোলিক মানচিত্ৰ খন সলনি নকৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চুক্তিখন অসমৰ সমাজ জীৱনৰ বাবে এক শুভ বতৰা। বড়ো জনগোষ্ঠীৰ লগতে অসমৰ প্ৰতিটো জনগোষ্ঠীয়ে একেলগে আগুৱাই যোৱাৰ বাবে সুযোগ প্ৰদান কৰিব আৰু নতুন প্ৰজন্মৰ বাবে ইতিবাচক দিশ কঢ়িয়াই আনিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰখনে উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ বাবে দিনে-নিশাই কাম কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে খিলঞ্জীয়া ভূমি পুত্ৰৰ বাবে কংগ্ৰেছে কোনো দিনে কাম নকৰিলে। অসম চুক্তিৰ ৬ নং দফা ৰূপায়ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাক ভাৰতৰত্ন, ৫ গৰাকী ব্যক্তিলৈ পদ্মশ্ৰী, খেতিয়কৰ উৎপাদন দুগুণ কৰা, শিক্ষা খণ্ডত লোৱা আঁচনিৰ বিষয়েও ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে মাজুলীৰ বট

পথৰ উন্নয়ন মথাউৰি নিৰ্মাণ আৰু মেৰামতিৰ বিষয়েও ভাষণ প্ৰসংগত উল্লেখ কৰে।

আজিৰ এই অনুষ্ঠানত ৪৫১৩ টা ভূমিহীন পৰিয়াললৈ ভূমিপট্টা আৰু ভূমি আৱন্টন পত্ৰ, ১৭৬ বান ক্ষতিগ্ৰস্ত পৰিয়ালক ৩৮০০ টকাকৈ অনুদান, ১৮৭ খন বিদ্যালয়ক চতুৰ্দশ বিত্তীয় আয়োগ পুঁজিৰ অনুমোদন পত্ৰ প্ৰদান কৰে। অনুষ্ঠানত দক্ষিণপাট সত্ৰলৈ ভূমি পট্টা প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰীৰ হাতৰ পৰা সত্ৰাধিকাৰ ননীগোপাল দেৱগোস্বামীয়ে ভূমি পট্টা গ্ৰহণ কৰে। অনুষ্ঠানত সাংসদ প্ৰদান বৰুৱা, ৰাজহ বিভাগৰ সচিব অশোক বৰ্মন, উপায়ুক্ত বিক্ৰম কৈৰী, দেউৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য মাধৱ দেউৰী, মাজুলী জিলা পৰিষদৰ সভানেত্ৰী পাপু হাজৰিকা দত্ত, সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ দেৱগোস্বামী, জনাৰ্দ্দন দেৱগোস্বামী, ননীগোপাল দেৱগোস্বামী, দত্ত দেৱগোস্বামী, শৰৎ চন্দ্ৰ দেৱগোস্বামী, পৰমানন্দ দেৱগোস্বামী প্ৰমুখ্যে কেইবাগৰাকীও সত্ৰাধিকাৰ উপস্থিত থাকে।

**ৰাঃবঃ /পুঃডেঃ / বীঃগঃ**
**২৮/০১/২০২০**